# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020

Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com


প্ৰসংগ ঃ এজবেক/০৯/০৪/২০২৩-২৪
Ref :

তাৰিখ ঃ ০৭-০৭-২০২৩
Date :

## অসম জাতীয় বিদ্যালয়ত প্ৰশিক্ষকৰ বাবে প্ৰশিক্ষণ

**নুনমাটি, গুৱাহাটী, ৭ জুলাই ঃ** বিগত বৰ্ষবোৰৰ দৰে এই বছৰো অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত ৮ জুলাই, ২০২৩ তাৰিখৰ পৰা অসম জাতীয় বিদ্যালয় চৌহদত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ জাতীয় বিদ্যালয়ৰ নিৰ্বাচিত শিক্ষকসকলৰ বাবে 'প্ৰশিক্ষকৰ বাবে প্ৰশিক্ষণ' (Training of Trainers-TOT) অনুষ্ঠিত হ'ব। ৮ আৰু ৯ জুলাই তাৰিখে ইংৰাজী, গণিত আৰু সমাজ বিজ্ঞান বিভাগৰ শিক্ষক প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। ১০ আৰু ১১ জুলাই তাৰিখে অসমীয়া আৰু বিজ্ঞান বিভাগৰ প্ৰশিক্ষণ কাৰ্য্যসূচী অনুষ্ঠিত হ'ব। ১০ জুলাই তাৰিখে সুকুমাৰ কলা বিভাগৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। এই প্ৰশিক্ষণ কাৰ্য্যসূচীত ৰাজ্যখনৰ ২৫ খন জিলাৰ প্ৰায় ২৪০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব।

ভাৰতীয় প্ৰযুক্তি বিজ্ঞান প্ৰতিষ্ঠান, গুৱাহাটী বিশ্ববিদ্যালয়, তেজপুৰ বিশ্ববিদ্যালয়, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, মাধ্যমিক শিক্ষা পৰিষদ, অসম, ডায়েট, বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ অভিজ্ঞ শিক্ষক, মনোৰোগ বিশেষজ্ঞ আদিয়ে সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰিব। এই কাৰ্য্যসূচী আবাসিকভাৱে আয়োজন কৰা হৈছে।

উল্লেখযোগ্য যে, ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ জাতীয় বিদ্যালয়সমূহৰ শিক্ষকসকলৰ মাজত পাঠদানৰ গুণগত মান বৃদ্ধি কৰা তথা কৰ্মদক্ষতা বৃদ্ধিৰ উদ্দেশ্যে প্ৰতিবছৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদে এই কাৰ্য্যসূচী গ্ৰহণ কৰি আহিছে।

অসম মাধ্যমিক শিক্ষা পৰিষদৰ সন্মানীয় অধ্যক্ষ ৰমেশ চান্দ জৈন ডাঙৰীয়াই ৮ জুলাই, ২০২৩ তাৰিখে ৰাতিপুৱা ৯:৩০ বজাত এই প্ৰশিক্ষণ কাৰ্য্যসূচী উদ্বোধন কৰিব।

(ডা° নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ